কংগ্ৰেছৰ সাধাৰণ সম্পাদক অপূৰ্ব কুমাৰ ভট্টাচাৰ্যই। কালি কৰিমগঞ্জত এখন সংবাদমেল সম্বোধন কৰি ভট্টাচাৰ্যই কয় যে আৱৰ্কীক শিখণ্ডী সজাই বিজেপি নেতাসকলে ছিণ্ডিকেটৰ জৰিয়তে ধন ঘটাত নামি পৰিছে। লোকসভা নিৰ্বাচনত বৰাকৰ দুয়োখন আসনতে কংগ্ৰেছ পৰাজিত হোৱাৰ পিচত দলটোৰ তৃণমূল কৰ্মীসকলৰ মনোবল বৃদ্ধিৰ বাবে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰিপুণ বৰাৰ নিৰ্দেশত বিজেপি চৰকাৰৰ নীতি, কাম-কাজক কঠোৰ সমালোচনা কৰে। অপূৰ্ব কুমাৰ ভট্টাচাৰ্যই সংবাদমেলত কয়— 'জাগীৰোড আৰু পাঁচগ্ৰাম কাগজ কলৰ বিষয়টোত বিজেপিয়ে ৰাইজক প্ৰতাৰণা কৰিছে। মাত্ৰ ৯৮ লাখ টকাৰ বাবে, পাঁচগ্ৰাম কাগজ কল নিলাম কৰাৰ সিদ্ধান্ত লৈছে কেন্দ্ৰীয় চৰকাৰে। ইয়াৰ পিচতো প্ৰতিটো কথাতে বৰাক-ব্ৰহ্মপুত্ৰ শব্দ দুটা উচ্চাৰণ কৰা মুখ্যমন্ত্ৰীয়ে নীৰৱ ভূমিকা লৈছে।' ৰাজ্যত বৰ্তমান সিন্দুৰা সমস্যাই ভয়াবহ ৰূপ ধাৰণ বিজেপিৰ আঙুলিৰ তলত চলিছে। সূতাৰকান্দিত সংঘটিত স্থল বন্দৰৰ ভূমি কেলেংকাৰী শাসক দলৰ ছত্ৰছায়াতে সম্ভৱ হৈছে। এই কেলেংকাৰীত অভিযুক্ত প্ৰদীপ কুমাৰ তালুকদাৰ আৰু নৱাৰুণ ভট্টাচাৰ্যক গ্ৰেপ্তাৰ কৰাৰ সাহস চৰকাৰে প্ৰদৰ্শন কৰিব নোৱাৰে। বিজেপিৰ বিধায়ক এজনৰ নেতৃত্বতে বৰাকত কয়লা ছিণ্ডিকেট চলা বুলি অভিযোগ কৰি ভট্টাচাৰ্যই কয় যে এনে ছিণ্ডিকেটবাজ দেখাৰ পিচতো মুখ্যমন্ত্ৰীয়ে নীৰৱ ভূমিকা লৈছে।

## ...ৰকাৰে



...বিষয়ববীয়াসকলে কয়— ...দ্বিতীয়বাৰৰ বাবে ...উত্থানত শংকিত ...বিভিন্ন সময়ত বিভিন্ন ...চৰকাৰখনক বদনাম কৰাৰ ...বিভুতিন ধৰি কেইমাহতিত ...লোকৰ ওপৰত জয় শ্ৰী ...নামত হোৱা নিৰ্যাতনৰ ...ভাবে বিজেপি চৰকাৰক ...

## ...ৰ আদৰণি

...প্ৰয়োজনীয় ধন নথকাত ...শতাংশ আদায় দিছিল ...থকা ৫০ শতাংশ আজি ...যোগে বিত্ত বিভাগৰ এক ...জৰিয়তে চলিত মাহত ...পোৱাটো নিশ্চিত হৈছে। ৰাজ্য ...বিত্ত বিভাগৰ এই সিদ্ধান্তক ...ৰ সভাপতি আৰু ...প্ৰধানে আদৰণি জনাইছে।

## আৰবীত শীৰ্ষস্থান নৱজ্যোতি কলেজৰ ছাত্ৰৰ

প্ৰতিদিন বিশেষ সংবাদ, জনিয়া, ১২ জুলাই ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক চূড়ান্ত পৰীক্ষাৰ ফলাফলত বৰপেটা জিলাৰ কলগাছিয়াৰ নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ ৰাহিদুল ইছলামে আৰবী বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰে। তেওঁ কলগাছিয়াৰ নিজাম উদ্দিন আৰু অহিয়া খাতুনৰ সন্তান।

## আৰক্ষীৰ অভিযান
## বিহালীত উদ্ধাৰ ৰাইফল-গুলী

প্ৰতিদিন বিশেষ সংবাদ, বিশ্বনাথ চাৰিআলি, ১২ জুলাই ঃ বিশ্বনাথ আৰক্ষীয়ে অভিযান চলাই ... [illegible] ... এটা ৩০৩ ৰাইফলৰ লগতে ১৯ জাই গুলী, ৰবৰৰ নাও আৰু এটা ছাইলেন্সাৰ উদ্ধাৰ কৰিবলৈ সক্ষম হয়।

## বৰপেটা জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলত কেলেংকাৰী

# অভিযন্তাক সুৰক্ষা দিয়াৰ বাবে ধোঁৱাচাঙত দুৰ্নীতিৰ তদন্ত

প্ৰতিদিন সংবাদ, গুৱাহাটী, ১২ জুলাই ঃ ৰাজ্যৰ জনস্বাস্থ্য কাৰিকৰী বিভাগটোত দুৰ্নীতিৰ সীমাসংখ্যা নোহোৱা হৈছে। স্বচ্ছ ভাৰত, বিশুদ্ধ পানী যোগান আদি আঁচনি ৰূপায়ণৰ নামত বিভাগটোত অব্যাহত আছে কেলেংকাৰীৰ অন্তহীন অধ্যায়। মুখ্যমন্ত্ৰী সোণোৱালৰ দুৰ্নীতিবিৰোধী অভিযানে কিন্তু বৰ্তমানলৈ স্পৰ্শ কৰা নাই জনস্বাস্থ্য কাৰিকৰী বিভাগক। বিভাগটোৰ প্ৰতিটো সংমণ্ডলতে স্বচ্ছ ভাৰত অভিযানৰ নামত এটাৰ পিচত আনটো বিয়াগোম কেলেংকাৰী সংঘটিত হৈছে। নামনি অসমৰ বৰপেটা সংমণ্ডলত স্বচ্ছ ভাৰত গ্ৰামীণ আঁচনিৰ অধীনত শৌচালয় নিৰ্মাণৰ নামত সংঘটিত বিয়াগোম কেলেংকাৰীৰ তথ্য ইতিপূৰ্বে প্ৰকাশ পাইছে। জিলাখনৰ বাঘবৰ সমষ্টিৰ অন্তৰ্গত কেইবাখনো গাঁও পঞ্চায়তত শৌচালয় নিৰ্মাণ নকৰাকৈয়ে ... এন জি অ'ৰে কোটি কোটি টকা লোকলাই ... [illegible] ... কিন্তু আজিলৈকে দুৰ্নীতিত লিপ্ত অভিযন্তা, এন জি অ' আদি অভিযুক্ত হিচাপে চিহ্নিত নহ'ল। এই তদন্তৰ জৰিয়তে অভিযুক্তসকলে শাস্তি পোৱা দূৰৰ কথা, বৰং স্বচ্ছ ভাৰত অভিযান গ্ৰামীণৰ নামত বৰপেটা সংমণ্ডলত পুনৰ শৌচালয় নিৰ্মাণৰ নামত কেইবাকোটি টকা সৰকোৱাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। এইক্ষেত্ৰত সংমণ্ডলটোৰ কাৰ্যবাহী অভিযন্তা উৎপলানন্দ দাসৰ বিৰুদ্ধে উত্থাপিত হৈছে দুৰ্নীতিৰ গুৰুতৰ অভিযোগ। ৰাজহুৱা অভিযোগৰ ভিত্তিত জিলা উপায়ুক্ত তথা স্বচ্ছ ভাৰত মিছন কৰ্তৃপক্ষৰ তদন্তত কাৰ্যবাহী অভিযন্তাগৰাকীৰ দুৰ্নীতি, অনিয়ম পোহৰলৈ নহাত সচেতন ৰাইজৰ চকু কপালত উঠিছে। আন কথাত দুৰ্নীতিগ্ৰস্ত অভিযন্তাক সুৰক্ষা দিয়াৰ বাবে চৰকাৰী তদন্ত প্ৰক্ৰিয়া ধোঁৱাচাঙত উঠা বুলি ৰাইজৰ মাজত চৰ্চা চলিছে। উল্লেখযোগ্য যে বাঘবৰ সমষ্টিৰ চৰাঞ্চলৰ ব্ৰহ্মপুত্ৰৰ খহনীয়াত উছন হোৱা পৰিয়ালকো ১২ হেজাৰটকীয়া শৌচালয় লাভ কৰা হিতাধিকাৰী হিচাপে দেখুৱাই একাংশ এন জি অ'ৰে চৰকাৰী আঁচনিৰ পুঁজিৰ লুণ্ঠন চলাইছে। এন জি অ'সমূহৰ লগতে ডি আৰ চি, চি আৰ চিসকলে ভুৱা বিল দাখিল কৰি শৌচালয়ৰ ধন আত্মসাৎ কৰা বুলি অভিযোগ উঠিছে।

# বৰদৈচিলা-ৰাজতিলকৰ আখৰা শিবিৰ মুকলি



প্ৰতিদিন সেৱা, চামতা, ১২ জুলাই ঃ নলবাৰী জিলাৰ পশ্চিম প্ৰান্তৰ পানীগাঁৱত স্থাপিত বৰদৈচিলা থিয়েটাৰৰ বিবিংশতম নাট্যবৰ্ষৰ আখৰা শিবিৰটো আজি মুকলি কৰে বৰদৈচিলা থিয়েটাৰৰ প্ৰতিষ্ঠাপক সহকাৰী প্ৰযোজক তথা বিশিষ্ট সাংস্কৃতিক কৰ্মী ভূপেন কলিতাই। ইয়াৰ পিচতে ভ্ৰাম্যমাণৰ জনক অচ্যুত লহকৰ আৰু নলবাৰীৰ স্বনামধন্য নাট্যকাৰ ভবেন বৰুৱাৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰে সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি প্ৰদীপ দাসে। প্ৰতিকৃতিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে দুই জ্যেষ্ঠ সাংবাদিকে। আয়তীৰ উৰুলি আৰু হৰ্ষধ্বনিৰে বৰদৈচিলা থিয়েটাৰৰ নাট্যবৰ্ষৰ আখৰা শিবিৰৰ শুভ মহৰত সম্পন্ন কৰে সাংবাদিক বিশ্বজিৎ দাসে।

■ মিৰ্জাৰ প্ৰতিদিন সেৱা ঃ ভ্ৰাম্যমাণ নাট্যদল ৰাজতিলক থিয়েটাৰৰ আজি কামৰূপ জিলাৰ দলেগাঁও নাৰগাঁৱৰ আখাৰাগৃহত নাট্যাৰম্ভ কৰা হয়। এই উপলক্ষে দুপৰীয়া এক মাংগলিক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কলা-কুশলীসকলে নটৰাজৰ আশিস গ্ৰহণ কৰি এইবেলি নাট্যবৰ্ষৰ বাবে সাজু হয়।

## ...ধেয়ক বাতিলৰ দাবী

# ...ণচেতনা ধৰ্মঘটৰ সামৰণি

...প্ৰস্তুত কৰিব ...পৰিচয় সুনিশ্চিত ...প্ৰয়োজন নাই ...থকুৱা লোকৰ ...নাই। এই ...আৰ চিৰ আৰ্হিত ...পল্লী প্ৰতিখন ...প্ৰৱৰ্তনৰ ...জনগোষ্ঠীয় ...দৃঢ়তাৰে ...বিদেশী ...গ্ৰহণ কৰাৰ উপৰি যাতে বিদেশীসকলে স্বেচ্ছাই ভাৰত ত্যাগ কৰে, তেনে বাতাৱৰণো সৃষ্টি কৰিবলৈ চৰকাৰ আগ্ৰহী হোৱা উচিত। নাগৰিকত্ব (সংশোধনী) বিধেয়ক- ২০১৬ খন সিকোনো ৰূপতেই নাথাকক বাতিল কৰিব লাগে। ধৰ্মঘটত অংশগ্ৰহণ কৰে অনুপ বৰুৱা, ড° হৰেন্দ্ৰ চন্দ্ৰ দাস, সোণেশ্বৰ পাটোৱাৰী, চৈয়দুৰ ৰহমান, টি বি সিংহ, শংকৰ শইকীয়া, তিলক মহন, প্ৰভাত কলিতা, মহেন্দ্ৰ দাস, ৰাজকুমাৰ বৈশ্য, বিশ্বজিৎ দাস, ... দাস, তপন শৰ্মা, প্ৰদীপ ভূঞা, ... হাজৰিকা, কমল ডেকা আদিয়ে।

অসমীয়া প্ৰতিদিন, 13th July, 2019